জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৩/২০২০

## ৰাজ্যপালক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ক'ভিড-১৯ আৰু শেহতীয়া বান পৰিস্থিতিৰ বিষয়ে ৰাজ্যপালৰ সৈতে আলোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৭ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যপাল অধ্যাপক জগদীশ মুখীক ৰাজভৱনত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সাম্প্ৰতিক ক'ভিড-১৯ ৰ পৰিস্থিতি তথা ৰাজ্য চৰকাৰে এই পৰিস্থিতি নিয়ন্ত্ৰণৰ দিশত গ্ৰহণ কৰা পদক্ষেপসমূহ ৰাজ্যপালক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে যে যদিও সম্প্ৰতি ক'ভিড-১৯ ৰ সংক্ৰমণ বৃদ্ধি পাইছে, ৰাজ্য চৰকাৰে যথাযথ কোৱাৰেণ্টীন আৰু আইচ'লেটেড ৱাৰ্ডৰ সা-সুবিধা বৃদ্ধিৰে এই পৰিস্থিতিৰ সৈতে ভালদৰে মোকাবিলা কৰি আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ দিশত প্ৰয়োজনীয় সা-সঁজুলি ৰাজ্যখনত পৰ্যাপ্ত পৰিমাণে মজুত আছে। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সৃষ্ট লক্‌ডাউনৰ ফলত ৰাজ্যখনৰ দুৰ্বল অৰ্থনীতি শক্তিশালী কৰাৰ বাবে লোৱা অৰ্থনৈতিক কাম-কাজসমূহৰ বিষয়েও ৰাজ্যপালক অৱগত কৰে।

সম্প্ৰতি নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যখনৰ ৭ খনকৈ জিলা বানপানীত আক্ৰান্ত হোৱা বিষয়টোও মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে। ৰাজ্যখনৰ জিলাসমূহৰ উপায়ুক্তসকলক বানপীড়িত জনসাধাৰণৰ উদ্ধাৰ অভিযান তথা প্ৰয়োজনীয় সাহায্য প্ৰদানৰ দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণৰ বাবে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক উপকৃত কৰিব পৰাকৈ চৰকাৰে ৰূপায়ণ কৰি থকা বিভিন্ন জনকল্যাণমূলক আঁচনিৰ বিষয়েও ৰাজ্যপালক অৱগত কৰে।

**সুঃদঃ / বঃভাঃ**
**২৭/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in